**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-09-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। বৰ্তমানৰ পৰস্পৰ নিৰ্ভৰশীল বিশ্বত কোনো বিপৰ্যয়ে অকল এটা অঞ্চলত সীমাবদ্ধ হৈ নাথাকে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে আজি কাজাখস্তান, ফিলিপাইনছ, ইজিপ্ত, দক্ষিণ আফ্ৰিকা আৰু বুৰুণ্ডিৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

৩। বিশ্ব স্বাস্থ্য সংস্থাই নতুন দিল্লীত অনুষ্ঠিত ২০২৬ চনৰ ব্ৰীকচ শীৰ্ষ সন্মিলনৰ ঘোষণা পত্ৰক প্ৰশংসা কৰিছে।

৪। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি ইৰাণৰ অৰ্থনৈতিক পৰিক্ৰমা আৰু বিত্তমন্ত্ৰী ছেয়েদ আলী মাদানিজাদেক সাক্ষাৎ কৰে। **আৰু**

৫। মহিলাৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

মহামাৰী, জলবায়ু বিপৰ্যয় আৰু যোগান শৃংখলাৰ বাধাৰ পৰা বৰ্তমানৰ পৰস্পৰ নিৰ্ভৰশীল বিশ্বত কোনো বিপৰ্যয়ে যে মাত্ৰ এটা অঞ্চলত সীমাবদ্ধ হৈ নাথাকে সেয়া স্পষ্ট হৈ পৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অষ্টাদশ ব্ৰীকছ শীৰ্ষ সন্মিলনৰ মুকলি অধিৱেশনত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ব্ৰীকছ ৰাষ্ট্ৰসমূহে এনেধৰণৰ স্থিতিৰ কথা বিবেচনা কৰিয়ে ৰাষ্ট্ৰগোষ্ঠীটোৰ মাজত স্থিতিস্থাপক আৰু বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ সামৰ্থ বৃদ্ধিত গুৰুত্ব আৰোপ কৰি আহিছে। স্থিতিস্থাপকতা, উদ্ভাৱন সহযোগিতা আৰু বহনক্ষমতা বিষয়ক এই অধিৱেশনত শ্ৰী মোদীয়ে সঠিক সময়ত প্ৰত্যাহ্বানৰ চিনাক্তকৰণ, প্ৰত্যাহ্বানৰ বাবে প্ৰস্তুতি আৰু তাৎক্ষণিক ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰে। সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু এনে ৰোগ নিয়ন্ত্ৰণৰ বাবে ল'বলগীয়া ব্যৱস্থাৰ বাবে ব্ৰীকছ সংহত আগতীয়া সতৰ্ক প্ৰণালী সন্দৰ্ভত সহমতত উপনীত হোৱা বুলি শ্ৰীমোদীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে আগতীয়া সতৰ্কতা তথ্য একত্ৰীকৰণৰ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰা হৈছে।

**(বাইট ঃ মোদী)**

শ্ৰীমোদীয়ে লগতে প্ৰযুক্তি আৰু ৰাষ্ট্ৰৰ সুৰক্ষা, আধুনিক অৰ্থনীতি তথা শক্তি আন্তঃগাঁথনিৰ বাবে প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থসমূহৰ অস্ত্ৰৰ দৰে ব্যৱহাৰে প্ৰগতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব পাৰে বুলি সকীয়াই দিয়ে। ব্ৰীকছ ৰাষ্ট্ৰসমূহে প্ৰযুক্তি আকোৱালি লোৱাৰ ক্ষেত্ৰত সৰ্বাত্মক দৃষ্টিভংগীত গুৰুত্ব আৰোপ কৰি আহিছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে।

**(বাইট ঃ মোদী)**

প্ৰধানমন্ত্ৰীয়ে কয়, যে ক্ষুদ্ৰ উদ্যমীসকলক জ্ঞান, বিত্ত আৰু নতুন বজাৰৰ সৈতে সংযুক্ত কৰাৰ বাবে ব্ৰীকছ্ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সহযোগিতা পোৰ্টেল গঠন কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ উপৰি বিভিন্ন চহৰৰ মাজত সৰ্বোৎকৃষ্ট প্ৰযুক্তি পদ্ধতিৰ বিনিময়ৰ সুবিধাৰ্থে ব্ৰীকছ্ নগৰীয়া গতিশীলতা কেন্দ্ৰ গঠন কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। স্মাৰ্টগ্ৰীড আৰু শক্তি মজুতকৰণৰ বাবে ব্ৰীকছ্ ডিজিটেল উৎকৰ্ষ কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে এই কেন্দ্ৰই নিকা শক্তি অধিক নিৰ্ভৰযোগ্য, দক্ষ আৰু সহজলভ্য কৰি তোলাত সহায় কৰিব। তেওঁ কয়, যে ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীয়ে বিকশাই তোলা সমাধান সূত্ৰসমূহ গ্লʼবেল ছাউথ হিচাপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম বিকশিত ৰাষ্ট্ৰসমূহৰ আৱশ্যকতাৰ অনুকূল কৰি তোলা উচিত। প্ৰধানমন্ত্ৰীয়ে কয়, যে ব্ৰীকছ্ ৰছদ যোগান শৃংখলা সহযোগিতা পৰিকাঠামোই যোগান শৃংখলা অধিক নিৰ্ভৰযোগ্য আৰু স্থিতিস্থাপক গুণ সম্পন্ন কৰি তোলাত সহায় কৰিব। উদ্ভাৱনৰ ক্ষেত্ৰত ব্ৰীকছ্ ইনকিউবেটৰ নেটৱৰ্কে ষ্টাৰ্টআপ প্ৰতিষ্ঠান আৰু ইনকিউবেটৰসমূহক সংযুক্ত কৰিব। ডিজিটেল কৃষি বিষয়ক ব্ৰীকছ্ নেটৱৰ্কে খেতিয়কসকলৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিব বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই উদ্যমৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তা, ভূস্থা-নিক প্ৰযুক্তি আৰু ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনিসমূহক খেতিয়কসকলৰ বাস্তৱিক আৱশ্যকতাৰ অনুৰূপ কৰি তোলা হʼব। তেওঁ কয়, যে ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ প্ৰতি গ্লোবেল ছাউথ হিচাপে পৰিচিত দেশসমূহৰ আস্থা বৃদ্ধি পাইছে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে ব্ৰীকছ্ সন্মিলনৰ আজি দ্বিতীয় তথা অন্তিম দিনা ব্ৰীকছ্ সহযোগী দেশসমূহৰ নেতাসকলক আদৰণি জনায়। এই নেতাসকলৰ ভিতৰত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী অনৱৰ ইব্ৰাহিম, ভিয়েটনামৰ প্ৰধানমন্ত্ৰী লে মিন্‌হ হুং, চৌদি আৰৱৰ বিদেশ মন্ত্ৰী ফেইচল বিন ফৰহান আৰু ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটৰচ অন্যতম। এই অধিৱেশন সমাপ্ত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী মোদী কাজাখস্তান, ফিলিপাইনছ্, ইজিপ্ত, দক্ষিণ আফ্ৰিকা আৰু বুৰুণ্ডিৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হʼব। ইয়াৰ উপৰি তেওঁ নাইজেৰীয়া আৰু উগাণ্ডাৰ উপ-ৰাষ্টপতিৰ সৈতে বৈঠকত মিলিত হʼব।

০০০০০০

বিশ্ব স্বাস্থ্য সংস্থাই নতুন দিল্লীত অনুষ্ঠিত ২০২৬ চনৰ ব্ৰীকচ শীৰ্ষ সন্মিলনৰ ঘোষণা পত্ৰক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান টেড্ৰচ অধনম ঘেব্ৰিয়াছেছে সাৰ্বজনীন স্বাস্থ্য বীমাৰ সুবিধা, স্থিতিস্থাপক স্বাস্থ্য ব্যৱস্থা, ৰোগ সৃষ্টিকাৰী জীৱানুৰ চিনাক্তকৰণ আৰু মহামাৰী সন্দৰ্ভত চুক্তিৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। সঞ্চালক প্ৰধানগৰাকীয়ে যক্ষ্মা ৰোগ নিৰ্মূলকৰণ, স্বাস্থ্য ব্যৱস্থা শক্তিশালীকৰণ, ডিজিটেল স্বাস্থ্য সেৱা, পৰম্পৰাগত ঔষধৰ সংহতকৰণ আৰু স্বাস্থ্য সেৱাৰ বিভিন্ন সা-সুবিধাসমূহ প্ৰদানৰ ক্ষেত্ৰত ব্ৰীকচ ৰাষ্ট্ৰসমূহে গ্ৰহণ কৰা ব্যৱস্থাৰো শলাগ লয়। তেওঁ এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি ইৰাণৰ অৰ্থনৈতিক পৰিক্ৰমা আৰু বিত্তমন্ত্ৰী ছেয়েদ আলী মাদানিজাদেক সাক্ষাৎ কৰে। শ্ৰীমতী সীতাৰমনে ব্ৰীকচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ আৰু বিত্ত সম্পৰ্কীয় আলোচনাত অংশগ্ৰহণৰ বাবে ইৰাণক ধন্যবাদ জনায়। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই বৈঠকত দুয়োগৰাকী নেতাই অৰ্থনৈতিক বিকাশৰ সৈতে জড়িত বিভিন্ন বিষয় তথা পাৰস্পৰিক স্বাৰ্থ সম্বলিত ক্ষেত্ৰত সহযোগিতাৰ সম্ভাৱনীয়তা সন্দৰ্ভত মত বিনিময় কৰে।

০০০০০০

শুকান ভূমিত কৃষিকাৰ্য কৰাৰ ক্ষেত্ৰত কৃষকসকলে সন্মুখীন হোৱা সমস্যা শীঘ্ৰে সমাধানৰ বাবে গ্লোবেল ছাউথ হিচাপে পৰিচিত ৰাষ্ট্ৰসমূহৰ মাজত উন্নয়নশীল দেশসমূহৰ উমৈহতীয়া অৰ্থনৈতিক আৰু সামাজিক প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে জ্ঞান, প্ৰযুক্তি আৰু সম্পদ বিনিময় সহযোগিতাৰ আহ্বানেৰে নতুন দিল্লীত অনুষ্ঠিত শুকান ভূমি মহাসভা ২০২৬ৰ সামৰণি পৰিছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰে মতে এই অনুষ্ঠানত শুকান ভূমি সন্দৰ্ভত দিল্লী ঘোষণা পত্ৰ গ্ৰহণ কৰা হয়। এই ঘোষণাই গ্লোবেল ছাউথৰ দেশসমূহত শুকান ভূমিত কৃষিকাৰ্য সুচল কৰি তোলাৰ বাবে জ্ঞান, উদ্ভাৱন আৰু সমন্বিত কাৰ্যকলাপৰ বিনিময় কৰাৰ কথা প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে কয়, যে এই মহাসভাই বৈজ্ঞানিক জ্ঞানসমূহ বাস্তৱিক কাৰ্যকলাপলৈ ৰূপান্তৰিত কৰাৰ লগতে উদ্ভাৱনী কৌশল ব্যৱহাৰৰ দ্বাৰা অংশীদাৰিত্ব শক্তিশালী কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই নেপালৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ চিনাক্তকৰণত সহায়ৰ বাবে অতিৰিক্ত ১০ লাখ মাৰ্কিন ডলাৰত অনুমোদন জনাইছে। এই নতুন পুঁজিয়ে নেপাল আৰক্ষীৰ ফৰেনচিক কাম-কাজত সহায় কৰিব। আন্তঃৰাষ্ট্ৰীয় মাদক দ্ৰব্য আৰু আইন বলবৎকাৰী ব্যুৰোয়ে নেপাল চৰকাৰক মৃত লোকসকলক চিনাক্তকৰণত সহায়ৰ বাবে এই আৰ্থিক অনুদানত অনুমতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিষয়াসকলে ডি এন এ পৰীক্ষা কীটকে ধৰি অত্যন্ত জৰুৰী দিশসমূহ মূল্যায়নত নেপাল আৰক্ষীৰ সৈতে কাম কৰি আছে। ইয়াৰ পূৰ্বে আমেৰিকাই বানত ক্ষতিগ্ৰস্ত লোকসকলৰ খাদ্য, আশ্ৰয়, স্বাস্থ্য সেৱা আৰু অন্যান্য সাহায্যৰ বাবে পুজি আগবঢ়াইছিল।

ইপিনে, নেপাল আৰু তিববত সীমান্তৰ সমীপত যোৱা ২৬ আগষ্টত হিমস্খলন হৈ সৃষ্টি হোৱা আকষ্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৩৮৬ হৈছেগৈ। বানত ক্ষতিগ্ৰস্ত আঠোখন জিলাৰ পৰা এতিয়াও মৃতদেহ উদ্ধাৰ কৰি থকা হৈছে। এতিয়াও প্ৰায় ৫ হাজাৰ ১৩০ জন লোক সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি স্বাধীনতা যুজাৰু যতীন্দ্ৰ নাথ দাসৰ মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে অতি কম বয়সতে যতীন্দ্ৰ নাথ দাসে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে যুজ দিয়াৰ পথ নিৰ্ধাৰণ কৰি লৈছিল।  কাৰাগাৰৰ শাস্তিয়ে তেওঁক নিজৰ সংকল্পৰ পৰা আঁতৰাই নিব পৰা নাছিল। কাৰাগাৰত থকা স্বাধীনতা সংগ্ৰামীসকলক কৰা অমানৱীয় ব্যৱহাৰৰ বিৰুদ্ধে যতীন্দ্ৰ নাথ দাসৰ আমৰণ অনশন দেশপ্ৰেম আৰু অদম্য সাহসৰ উদাহৰণ হৈ ৰৈছে বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। মহান স্বাধীনতা সংগ্ৰামীগৰাকীৰ ত্যাগ আৰু বীৰত্বই জনসাধাৰণক দেশসেৱা কৰি যাবলৈ সদায় অনুপ্ৰাণিত কৰিব বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ০০০০

০০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল অহা মঙলবাৰে আৰু তৃতীয় তথা অন্তিমখন খেল অহা বৃহস্পতিবাৰে

অনুষ্ঠিত হ'ব। শ্ৰেয়াছ্ আয়াৰে নেতৃত্ব দিবলগীয়া ভাৰতীয় দলত তিলক বাৰ্মা সহ অধিনায়ক হিচাপে থাকিব। পেচ বলাৰ যশপ্ৰীত বুমৰাহ, অৰ্শদীপ সিং আৰু য়ছ্ ঠাকুৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে।

ইপিনে, উইকেট কিপাৰ-বেটাৰ সঞ্জু ছেমচনৰ দললৈ প্ৰত্যাৱৰ্তন হোৱাৰ লগতে আঘাতৰ পৰা মুক্ত হোৱাৰ পাছত স্পিনাৰ বৰুণ চক্ৰৱৰ্তীও দলত অন্তৰ্ভুক্ত হৈছে। বৈভৱ সূৰ্যবংশীৰ নামো অন্তৰ্ভুক্ত কৰা হৈছে।

000000

***<u>সমাপ্ত</u>***